**Regional News Unit**

All India Radio, Guwahati

0000000000

**Date :** 5-08-2024

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***::::::::::::::::::::::::::::::::::::::***

**Headlines**

১।	গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা বঁটা প্ৰদানৰ বাবে লোককল্যাণ দিৱসৰ আয়োজন। ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্ট সেৱা আগবঢ়োৱা ১৮ গৰাকী প্ৰশাসনিক বিষয়ালৈ মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা।

২।	নতুনকৈ প্ৰণয়ন হ'বলগা বাসিন্দা নীতিৰ অধীনত অসমত জন্মগ্ৰহণ কৰা প্ৰাৰ্থীহে ৰাজ্য চৰকাৰৰ চাকৰি লাভৰ বাবে যোগ্য বিবেচিত হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩।	আজিৰে পৰা অহা ১১ আগষ্টলৈ ৰাজ্যজুৰি শিক্ষা সপ্তাহ পালন।

*আৰু*

৪।	পেৰিছ অলিম্পিকত আজি ভাৰতীয় মল্লযোদ্ধাৰ অভিযান আৰম্ভ। বেডমিণ্টনত ব্ৰঞ্জৰ পদক নিৰ্ণায়ক খেলত ভাৰতৰ লক্ষ্য সেন মালয়েছিয়াৰ জি জিয়া লীৰ মুখামুখি।

০০০০০০০

অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৪ সংখ্যক মৃত্যু তিথিৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ উদ্যোগত আজি ৰাজ্যজুৰি লোক কল্যাণ দিৱস পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্ট সেৱা আগবঢ়োৱা ১৮ গৰাকী প্ৰশাসনিক বিষয়াক আজি মুখ্যমন্ত্ৰীৰ **কৰ্মশ্ৰী বঁটা** প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে, এইবাৰ এই বঁটাৰ বাবে ৫২খন আবেদন লাভ কৰা হৈছিল যদিও ইয়াৰ ভিতৰত ছটা বিভাগৰ সেৱাকহে বঁটাৰ বাবে বাছনি কৰা হয়। চৰকাৰী বিভিন্ন বিভাগসমূহৰ কাৰ্যকলাপ, উদ্ভাৱনী প্ৰয়াস, বহন ক্ষমতা, প্ৰশাসনৰ ক্ষেত্ৰত দক্ষতাৰ উন্নয়ন তথা  কাৰ্যকৰিতা আদি কাৰকসমূহৰ ওপৰত ভিত্তি কৰি এই ছটা বিভাগক বঁটাৰ বাবে বাছনি কৰা হয়। মিছন বসুন্ধৰা, জলজীৱন মিছনৰ অধীনৰ জলদূত কাৰ্যসূচী, মহাবিদ্যালয়ত

নামভৰ্তিৰ বাবে সমৰ্থ নামভৰ্তি পোৰ্টেল, ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত চৰাইদেউ মৈডামৰ অন্তৰ্ভুক্তিকৰণৰ সৈতে জড়িত কাৰ্যকলাপ, নগাঁৱৰ মুকুতা খেতি, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা লাইকা বন গাঁৱক নামফাই সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত ভূমিত পুনৰসংস্থাপন কাৰ্যত জড়িত একাংশ চৰকাৰী বিষয়ালৈ এই বঁটা আগবঢ়োৱা হৈছে। মিছন বসুন্ধৰাৰ বাবে ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠী, ভূমি নথি বিভাগৰ সঞ্চালক শান্তনু পি গোটমাৰে, ভূমি নথি বিভাগৰ অতিৰিক্ত সঞ্চালক নৱজিৎ পাঠকলৈ এই বঁটা আগবঢ়োৱা হৈছে। জলদূত কাৰ্যসূচীৰ বাবে জল জীৱন মিছনৰ পৰিচালন সঞ্চালক কৈলাশ কাৰ্তিক এন আৰু জল জীৱন মিছনৰ মিছন সঞ্চালক অৰ্ণৱ কুমাৰ বৰুৱাক এই বঁটা প্ৰদান কৰা হ'ব। একেদৰে সমৰ্থ পোৰ্টেলৰ বাবে উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, বিভাগটোৰ সঞ্চালক পমী বৰুৱা আৰু উচ্চ শিক্ষা সঞ্চালকালয়ৰ বিশেষ দায়িত্বৱাহী বিষয়া প্ৰাঞ্জল প্ৰতীম বৰুৱালৈ এই বঁটা আগবঢ়োৱা হৈছে। চৰাইদেউ মৈদাম ক্ষেত্ৰৰ বাবে প্ৰত্নতত্ব বিভাগৰ সঞ্চালক দীপিৰেখা কৌলী, উপ-সঞ্চালকদ্বয় নৱজিৎ দেউৰী আৰু ছাবিনা হাছানক এই বঁটা প্ৰদান কৰা হ'ব। মুকুতা খেতিৰ বাবে নগাঁও জিলাৰ আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, সমবায় সমিতিৰ উপ-পঞ্জীয়ক বিশ্বজিৎ চক্ৰৱৰ্ত্তী আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা কাৰ্যসূচী বিষয়া শংখ প্ৰৱাল শান্দিল্যক এই বঁটা প্ৰদান কৰা হ'ব। লাইকা বনাঞ্চলৰ লোকক পুনৰসংস্থাপনৰ ক্ষেত্ৰত তিনিচুকীয়াৰ জিলা আয়ুক্ত সপ্নীল পল, ডিগবৈৰ মাণ্ডলিক বন বিষয়া পি চি ৰঞ্জিত ৰাম আৰু জিলাখনৰ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিত দিলীপক এই বঁটা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিবলগীয়া লোক কল্যাণ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীতে আজি ১০ গৰাকী অৰাজপত্ৰিত বিষয়ালৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আৰু ৩৭ গৰাকী অৰাজপত্ৰিত বিষয়ালৈ জিলা পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে লোকসেৱা পুৰস্কাৰ প্ৰাপক প্ৰত্যেকগৰাকী অৰাজপত্ৰিত বিষয়াৰ চাকৰি কাল এবছৰকৈ বৃদ্ধি কৰাৰ লগতে তেওঁলোকক একোখনকৈ প্ৰমাণপত্ৰসহ ২৫ হাজাৰ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভাত অংশ লৈ শীঘ্ৰে ৰাজ্যত নতুন বাসিন্দা নীতি প্ৰণয়ন কৰা হ'ব বুলি মন্তব্য কৰে। সভাত দলীয় সদস্যসকলক সম্বোধন কৰি তেওঁ কয় যে, নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্য চৰকাৰে এক লাখ চৰকাৰী চাকৰিত খিলঞ্জীয়াক অগ্ৰাধিকাৰ দিছে। চাকৰি লাভ কৰা প্ৰাৰ্থীৰ সম্পূৰ্ণ তালিকা প্ৰকাশ হ'লে এই কথা স্পষ্ট হৈ পৰিব বুলি তেওঁ দৃঢ়তাৰে কয়। চাকৰিৰ ক্ষেত্ৰত খিলঞ্জীয়া বাসিন্দাৰ অগ্ৰাধিকাৰৰ প্ৰসংগত তেওঁ কয় যে, বাসিন্দা নীতিৰ অধীনত ৰাজ্যখনত জন্মগ্ৰহণ কৰা লোকেহে চৰকাৰী চাকৰি লাভৰ বাবে যোগ্য বিবেচিত হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ লগতে লাভ জিহাদ সম্পৰ্কীয় গোচৰসমূহৰ বাবে নতুন আইন প্ৰণয়নত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিব বুলি মন্তব্য কৰে। তেওঁ কয় যে, এই আইন যথেষ্ট কঠোৰ হ'ব আৰু আইনখনৰ আধাৰত দোষীক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তী বিহা হ'ব।

ইফালে হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত ভূমি কিনা-বেছাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আন এটা সিদ্ধান্তৰ বিষয়ে অৱগত কৰি তেওঁ কয় যে, মুখ্যমন্ত্ৰীৰ অনুমোদন লাভ কৰাৰ পিছতহে এই ধৰণৰ ভূমি ক্ৰয়-বিক্ৰয়ৰ কাম আগবঢ়াব পৰা যাব। আনহাতে নতুন আইন প্ৰণয়নেৰে ৰাজ্যত শীঘ্ৰেই জনজাতীয় বেল্ট আৰু ব্লক স্থাপন কৰা হ'ব বুলি প্ৰকাশ কৰি তেওঁ কয় যে, এই আইনৰ অধীনত সৰু সৰু গাঁওবোৰত জনজাতীয় লোকৰ জনসংখ্যা পৰ্যাপ্ত থকাটো সুনিশ্চিত কৰা হ'ব আৰু অ-জনজাতীয় লোকসকলে তাত মাটি ক্ৰয় কৰিবলৈ অসমৰ্থ হ'ব।

ইপিনে ৰাজ্যৰ ১৩ খন চিকিৎসা মহাবিদ্যালয়ত নৱজাতকক জন্মৰ প্ৰমাণপত্ৰৰ লগতে আধাৰ কাৰ্ড প্ৰদানৰ প্ৰকল্প আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দি মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰথম অৱস্থাত এই প্ৰকল্প কেৱল চিকিৎসা মহাবিদ্যালয়সমূহত আৰম্ভ কৰা হ'ব যদিও ইয়াৰ পাছত আঁচনিখন সমগ্ৰ ৰাজ্যতে কাৰ্যকৰী কৰা হ'ব। ৰাজ্য চৰকাৰৰ এনে আঁচনি আৰু খিলঞ্জীয়াৰ প্ৰতি থকা আন্তৰিকৰ প্ৰচেষ্টাৰ বাবে ২০২৬ চনত হ'বলগীয়া ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ জয় অৱশ্যম্ভাৱী বুলি মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে দাবী কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যত আজিৰে পৰা ১১ আগষ্টলৈ শিক্ষা সপ্তাহৰ আয়োজন কৰা হৈছে। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে প্ৰতিদিনে একোটা বিশেষ বিষয়বস্তুৰ আধাৰত এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আজিৰ দিনটো শিক্ষণ-শিকন সামগ্ৰীৰ দিন, কাইলৈ এফ এল এন দিন, পৰহিলৈ ক্ৰীড়া দিন, ৮ আগষ্টত সাংস্কৃতিক দিন, ৯ আগষ্টত দক্ষতা আৰু ডিজিটেল পদক্ষেপ দিন, ১০ আগষ্টত বিদ্যালয় পৰিপুষ্টি দিন আৰু ১১ আগষ্টৰ দিনটো সম্প্ৰদায় জড়িতকৰণ দিন হিচাপে পালন কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ জৰিয়তে শিক্ষাক্ষেত্ৰলৈ অহা পৰিৱৰ্তন তথা সফলতাসমূহ এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে।

০০০০০০০

ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ নিয়মীয়া শ্ৰেণী সুনিশ্চিত কৰিবলৈ শিক্ষা বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ নিয়মীয়া শ্ৰেণী সুনিশ্চিত কৰিবলৈ টেলি শিক্ষা কাৰ্যসূচীৰ অধীনত একাধিক ভাষাৰ বিষয়বস্তুৰে ছটা ষ্টুডিঅ'ৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে দুহেজাৰ ৮৫৪ খন বিদ্যালয় সংযোগ কৰা হৈছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি সামাজিক মাধ্যমযোগে এই তথ্য সদৰী কৰে। তেওঁ লগতে চাৰি হেজাৰ ৫২৫ খন বিদ্যালয়ত ইণ্টাৰেক্টিভ ডিছপ্লে' আৰু ইণ্টাৰনেটৰ ব্যৱহাৰ থকা তথা এপৰ জৰিয়তে টু-ডি আৰু থ্ৰী-ডি ভিত্তিক শ্ৰেণী প্ৰদান কৰা পাঁচ হেজাৰ ২১৫ টা স্মাৰ্ট শ্ৰেণীকোঠা চলি থকা বুলিও অৱগত কৰে। শীঘ্ৰেই ৰাজ্যৰ আৰু অধিক বিদ্যালয়ত অতিৰিক্ত পাঁচ হেজাৰ ৫৭২টা স্মাৰ্ট শ্ৰেণীকোঠা সংযোজনৰ পৰিকল্পনা কৰা বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম, মণিপুৰ আৰু মেঘালয়ত উৎপাদন হোৱা ক'লা চাউলৰ প্ৰশংসা কৰি কয় যে, শেহতীয়াভাৱে এই চাউলবিধে ঔষধী গুণাগুণৰ বাবে উৎকৃষ্ট খাদ্যত পৰিণত হৈছে। নতুন দিল্লীত অনুষ্ঠিত ৩২ সংখ্যক আন্তৰ্জাতিক কৃষি অৰ্থনীতিবিদ সন্মিলনত অংশগ্ৰহণ কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, স্বাস্থ্যৰ উপকাৰিতাৰ বাবে ক'লা চাউলে জনপ্ৰিয়তা লাভ কৰিছে। তেওঁ কয় যে, ভাৰতৰ অৰ্থনৈতিক নীতিত কৃষিয়ে প্ৰধান গুৰুত্ব লাভ কৰি আহিছে আৰু প্ৰান্তীয় কৃষকসকলেই হৈছে দেশৰ খাদ্য সুৰক্ষাৰ মেৰুদণ্ড। আনহাতে চৰকাৰে বৃহৎ হাৰত ৰাসায়নিক সাৰ মুক্ত কৃষিত উদগনি দি অহাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, এই ক্ষেত্ৰত চৰকাৰৰ নীতিয়ে উত্তম ফল দেখুৱাইছে। তেওঁ লগতে কৃষি ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ তথা আঁচনিসমূহৰ বিষয়েও নিজৰ ভাষণত উল্লেখ কৰে। উল্লেখযোগ্য যে, সুদীৰ্ঘ ৬৫ বছৰৰ বিৰতিৰ পাছত ভাৰতত এইবাৰ আন্তৰ্জাতিক কৃষি অৰ্থনীতিবিদৰ সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনত ৭৫ খন দেশৰ প্ৰায় এহেজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

0000000

কেৰালাৰ ভূমিস্খলন প্ৰভাৱিত ৱায়ানাডত আজি সপ্তম দিনাও মৃতদেহৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত আছে। কৰ্তৃপক্ষই অঞ্চলটোৰ ধ্বংসাৱশেষৰ মাজত অথবা মালাপ্পুৰম জিলাৰ তলৰ অংশত যাতে কোনো মৃতদেহ ৰৈ নাযায় তাৰবাবে সকলো ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই দুৰ্ঘটনাত শতাধিক লোক সন্ধানহীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত আজি আৰু মৃতদেহ উদ্ধাৰ কৰাৰ সম্ভাৱনা আছে। অঞ্চলটোত কালি বোকাত পোত গৈ থকা সামগ্ৰীৰ সন্ধান কৰিব পৰা অত্যাধুনিক ড্ৰ'নৰ সহায়ত উদ্ধাৰ অভিযান চলোৱা হয়। উদ্ধাৰ অভিযানত সহায়ৰ বাবে মিৰাটৰ পৰা অধিক সেনা আৰু চাৰিটা বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰ অনা হৈছে। আনহাতে মেপ্পাড়ি অঞ্চলত ৰখা মৃতদেহৰ কিছু অংশকে ধৰি ৬৭টা অচিনাক্ত মৃতদেহৰ ভিতৰৰ ৮টা মৃতদেহ কালি সৎকাৰ কৰা হয়।

0000000

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'ল সুৰক্ষা বাহিনীয়ে চলিত বৰ্ষৰ জুলাই মাহত এক কোটি ৬৩ লাখ টকাৰো অধিক মূল্যৰ নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অন্তৰ্গত ৰে'ল আৰু ষ্টেচনসমূহত চলোৱা বিভিন্ন অভিযানৰ সময়ত নিষিদ্ধ চোৰাং সামগ্ৰি কঢ়িয়াই নিয়াত জড়িত থকাৰ অভিযোগত ২৪ জন লোকক

ৰে'ল সুৰক্ষা বাহিনীয়ে কৰায়ত্ব কৰে। জব্দ কৰা সামগ্ৰীৰ সৈতে কৰায়ত্ব কৰা লোকসকলক পাছত প্ৰাসংগিক আইন অনুসাৰে পৰৱৰ্তী ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট আৰক্ষী থানাৰ হাতত অৰ্পণ কৰা হয়।

০০০০০০০

চলিত পেৰিচ অলিম্পিকৰ আজি দশম দিনটোত ভাৰতৰ বেডমিণ্টন খেলুৱৈ লক্ষ্য সেনে ব্ৰঞ্জৰ পদক জয়ৰ লক্ষ্যৰে মালয়েছিয়াৰ জি জিয়া লীৰ বিৰুদ্ধে অৱতাৰ্ণ হ'ব। সমগ্ৰ ভাৰতীবাসীৰ আশাৰ দৃষ্টি থাকিবলগীয়া পুৰুষ একক শাখাৰ এই খেলখন সন্ধিয়া ছয় বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, লক্ষ্যই সফলতা অৰ্জন কৰিলেই ভাৰতৰ প্ৰথম পুৰুষ শ্বাটলাৰ হিচাপে অলিম্পিকত পদক জয় কৰাৰ গৌৰৱ অৰ্জন কৰিব। ইয়াৰ পূৰ্বে কালি হোৱা ছেমিফাইনেলত লক্ষ্যই প্ৰথম দুটা চেটত প্ৰাৰম্ভিক অগ্ৰগতি লাভ কৰিও ডেনমাৰ্কৰ ভিক্টৰ এক্সেলছেনৰ বিৰুদ্ধে ২২-২০ আৰু ২১-১৪ৰ ব্যাৱধানত পৰাজিত হৈছিল।

ইফালে আজি অলিম্পিকত ভাৰতৰ মল্ল যোদ্ধায়ো অভিযান আৰম্ভ কৰিব। নিশা চাৰে ছয় বজাত হ'বলগা মহিলাৰ ৬৮ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ নিশা দাহিয়াই প্ৰী-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। আজিয়েই পদকৰ খেলো অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে মল্ল যুঁজত ভাৰতে ২০০৮ৰ বেইজিঙৰ পৰা ২০২০ৰ টকিঅ'লৈ ক্ৰমাগত চাৰিখন অলিম্পিকত দুটা ৰূপ সহ মুঠ ৬টা পদক অৰ্জন কৰিছে। সেয়ে এইবাৰো ভাৰতীয় পুৰুষ আৰু মহিলা মল্লযোদ্ধাৰ পদক জয়ৰ সম্ভাৱনা আছে।

আনহাতে একক আৰু ডাবলছৰ ব্যৰ্থতাৰ পাছত আজি ভাৰতৰ মহিলা টেবল টেনিছ দলে দিনৰ ডেৰ বজাত ৰোমানিয়াৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডৰ খেলত অংশ ল'ব। আনহাতে দিনৰ চাৰে ১২ বজাত শ্বুটিঙৰ অন্তিম ইভেণ্ট স্কীট মিক্সড দলীয়ত ভাৰতে যোগ্যতা নিৰ্ণায়ক খেলত অংশ ল'ব। এথলেটিকছত দিনৰ তিনি বাজি ২৫ মিনিটত ভাৰতৰ কিৰন পাহালে মহিলাৰ ৪০০ মিটাৰ দৌৰৰ প্ৰথম ৰাউণ্ডত আৰু নিশা ১০ বাজি ৩৪ মিনিটত অবিনাশ ছাবলে পুৰুষৰ তিনি হাজাৰ মিটাৰ ষ্টীপলেছেচৰ প্ৰাৰম্ভিক ৰাউণ্ডৰ খেল খেলিব।

ইপিনে পেৰিছ অলিম্পিকত যোৱা নিশা হোৱা পুৰুষৰ একক শাখাৰ টেনিছৰ ফাইনেলত অভিলেখ সংখ্যক গ্ৰেণ্ডশ্লামৰ খিতাপ জয় কৰা ছাৰ্বিয়াৰ ন'ভাক জ'ক'ভিছে স্পেইনৰ কাৰ্লোছ আলকাৰেজক ৭-৬ আৰু ৭-৬ৰ ব্যৱধানত পৰাস্ত কৰি বৰ্ণিল কেৰিয়াৰৰ প্ৰথমটো অলিম্পিক সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি শ্ৰীলংকাই ভাৰতক ৩২ ৰানত পৰাজিত কৰে। ভাৰতে ২৪১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪২ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ৰোহিত শৰ্মাই ৪৪টা বলত ৬৪ ৰান কৰে। শ্ৰীলংকাৰ জেফৰি ভেণ্ডাৰ্ছে ৬টাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪০ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে তিনিটা আৰু কুলদ্বীপ যাদৱে দুটা উইকেট লাভ কৰে। শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ' হোৱাৰ পাছত শ্ৰীলংকাই কালিৰ জয়ৰ সুবাদত ১-০ অগ্ৰগতি লাভ কৰে।

0000000

# Newspaper Review (8-5-2024 Morn.)

**দৈনিক অসম** কাকতে উদ্ভাসিত দৈনিক অসমৰ গৰিমা শিৰোনামেৰে আজি কাকতখনৰ হীৰক জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ড্ডুতপতদ খশসন শত্ত্মশ তপতব গতসনকপগ দসহ্তনঞ্ঞ স্ঞসশ শিৰোনামেৰে একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

স্বপ্নভংগ ! লাভলীনাৰ বিদায় শিৰোনামেৰে **আমাৰ অসম** কাকতে পেৰিছ্ অলিম্পিকত অসম কন্যা লাভলীনা বৰগোঁইৰ পৰাজয়ৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বাংলাদেশৰ পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰিছে। নিহত হৈছে ১৩ আৰক্ষীসহ শতাধিক। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বাংলাদেশত বন্ধ কৰি দিয়া হৈছে ফে'চবুক মেচেঞ্জাৰ, হোৱাটছ্-এপ, ইনষ্টাগ্ৰামৰ লগতে ফ'ৰ-জি ম'বাইলৰ সেৱা। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হিন্দু-মুছলমানৰ মাটি ক্ৰয়ত নতুন নিয়ম শীৰ্ষক শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা অনুসৰি লাভ জেহাদৰ দোষীক আজীৱন কাৰাদণ্ডৰ আইনৰ অধীনত অনাৰ বাতৰিটো **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোৱা ২৩ জুলাইত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে দাখিল কৰা বাজেট সন্দৰ্ভত **দৈনিক অগ্ৰদূত** কাকতে কেন্দ্ৰীয় বাজেটক লৈ  হতাশা ভাৰতৰ মধ্যবিত্ত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কৃষি অৰ্থবিদসকলৰ ৩২ সংখ্যক আন্তৰ্জাতিক সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম, মণিপুৰ আৰু মেঘালয়ত উৎপাদিত ক'লা চাউলৰ প্ৰশংসা কৰা বাতৰিটো **অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – শিক্ষা সচিবসহ ১৮ জনলৈ কৰ্মশ্ৰী সন্মান। কাছাৰত ১ দশমিক ২-০ কোটিৰ নিচাযুক্ত টেবলেট জব্দ, বিভিন্ন নদীপথত দিনে নিশাই বালি খনন, অসমত হাতী-মানুহৰ সংঘাটত ২০২৩-২৪ বৰ্ষত ৭৪ জন মানুহৰ মৃত্যু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

সমাপ্ত